# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-11-2025
**Time :** 17-15 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১৯৫১ চনৰ আগত অসমলৈ অহা লোকক ভূমি পট্টা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। অসম বিধান সভাৰ শীতকালীন অধিবেশনৰ আজি অন্তিম দিনা মুখ্যমন্ত্ৰীগৰাকীয়ে সদনত এই বিষয়ে ঘোষণা কৰে।

**বাইট (চি এম)**

০০০০০০

নগাঁও জিলা প্ৰশাসন আৰু বন বিভাগে আজি কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ দখলিকৃত মাটিত উচ্ছেদ অভিযান চলায়। বন বিভাগৰ সূত্ৰই জনোৱা অনুযায়ী বনাঞ্চলখনৰ ৫ হাজাৰ ৯৬২ বিঘা মাটিত এহেজাৰ ৭০০টা পৰিয়ালে অবৈধভাৱে বসবাস কৰি আছিল। আজি এই অঞ্চলটোত উচ্চেদ চলোৱা হয়। অঞ্চলটোত উচ্ছেদৰ বাবে ইতিপূৰ্বে প্ৰশাসনে নিৰ্দিষ্ট সময় বান্ধি দিছিল যদিও শস্য চপোৱাৰ বাবে অতিৰিক্ত সময় নিৰ্ধাৰণ কৰি দিয়া হৈছিল। আনহাতে, কালি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই উচ্ছেদ অভিযান চলাবলগীয়া ঠাইত উপস্থিত হৈ দখলকাৰীসকলক নিজৰ ভূমিলৈ ঘুৰি যাবলৈ আহ্বান জনাইছিল। দখলকাৰীসকলৰ একাংশই ইতিমধ্যেই দখলীকৃত ভূমি ত্যাগ কৰিছিল। আজি পুৱাৰে পৰা সহস্ৰাধিক আৰক্ষীয়ে লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ চামগাওঁ, ভেদুৰিপাৰ আৰু আমগুৰিত কঠোৰ নিৰাপত্তাৰ মাজেৰে উচ্ছেদ অভিযান চলায়। উল্লেখযোগ্য যে এই উচ্ছেদ অভিযান কাইলৈও চলিব।

০০০০০০

সমাগত ৰাজ্য বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে পৰহিলৈৰ পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি পৰহিলৈৰ পৰা পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হ'ব। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা হ'ব। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰ কৰা হ'ব। বিয়লি পাঁচ বাজি ১৫ মিনিটৰ আৰু সন্ধিয়া ছয় বজাৰ বাতৰি এতিয়া পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব। প্ৰতি মঙলবাৰে এক বাজি ২০ মিনিটত প্ৰচাৰ কৰা প্ৰাসংগিকৰ উপৰি প্ৰতিদিনে বিয়লি ৩ বাজি ৫ মিনিটৰ পৰা তিনি বাজিৰ ১৫ মিনিটলৈ প্ৰাসংগিক প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো প্ৰতিনিশা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ প্ৰচাৰ কৰা হ'ব। ইপিনে প্ৰতি সোমবাৰে প্ৰচাৰিত ক্ৰীড়া বাৰ্তাৰ সময়ত পাঁচ

মিনিট হ্ৰাস কৰা হৈছে। এই অনুসৰি অহা সোমবাৰৰ পৰা সন্ধিয়া ৬ বাজি ৪০ মিনিটৰ পৰা ৬ বাজি ৪৫ মিনিটলৈ ক্ৰীড়া বাৰ্তা প্ৰচাৰ কৰা হ'ব।

oooooo

বৰপেটা জিলাত অহা ১৩ ডিচেম্বৰত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। বৰপেটা জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত প্ৰাংগণ, পাৰিবাৰিক আদালত চৌহদ প্ৰাংগণ, মটৰ দুৰ্ঘটনা দাবী নিষ্পত্তি ন্যায়াধীকৰণ চৌহদ আৰু বৰপেটা জিলা দণ্ডাধীশৰ আদালতৰ অধীনত সমূহ আদালত প্ৰাংগণত সেইদিনা লোক আদালত অনুষ্ঠিত হ'ব বুলি বৰপেটা জিলা আইন সেৱা প্ৰাধিকাৰীয়ে সদৰি কৰে। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী আৰু অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশমৰ্মে আয়োজন কৰা এই আদালতত বি এছ এন এল, এ পি ডি চি এল, বেংকৰ ঋণৰ পৰিশোধৰ ওজৰ-আপত্তিসমূহ এই লোক আদালতৰ জৰিয়তে নিষ্পত্তি কৰা হ'ব। এই সম্পৰ্কে অধিক জানিবলৈ বৰপেটা জিলা আইন সেৱা প্ৰাধিকাৰীয়ে ৰাইজক ৯৮৬৪৩-৯৩৮৩২ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

oooooo

২০২৪ চনত অনুষ্ঠিত ৰাজ্যপালসকলৰ সন্মিলনৰ পৰামৰ্শমৰ্মে তথা গৃহমন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি ৰাজ্যপালৰ কাৰ্যালয়ক ৰাজভৱনৰ পৰিৱৰ্তে লোকভৱন হিচাপে নামকৰণ কৰা হয়। উপ-ৰাজ্যপালৰ কাৰ্যালয়ক লোক নিৱাস হিচাপে নামকৰণ কৰা হৈছে। এই নিৰ্দেশ অনুসৰি অসমৰ ৰাজ্যপালৰ কাৰ্যালয়ক এতিয়াৰে পৰা লোকভৱন অসম হিচাপে জনা যাব।

oooooo

মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা দুটা বনৰীয়া হাতীৰ আক্ৰমণত বৰপেটা ৰোডৰ ছাফাকামাৰ অঞ্চলত আজি এগৰাকী মহিলা নিহত হয়। নিহত মহিলাগৰাকীৰ নাম ফজৰ ভানু বুলি জানিব পৰা গৈছে। বন বিভাগ আৰু স্থানীয় লোকে প্ৰকাশ কৰা মতে যোৱা নিশা হাতী দুটাক বৰপেটা ৰোডত বিচৰণ কৰা দেখিবলৈ পোৱা গৈছে। আজি পুৱা বন বিভাগৰ দলে হাতী দুটাক ৰাষ্ট্ৰীয় উদ্যানখনলৈ উভতাই পঠিওৱাৰ চেষ্টা চলাই থকাৰ সময়তে নিজৰ বাসগৃহৰ সমীপৰ পথাৰত কৰ্মৰত ৫০ বছৰীয়া মহিলাগৰাকী হাতীৰ আক্ৰমণৰ বলি হয়।

oooooo

সমাপ্ত